লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# বেইমান

**মূলঃ চিত্ৰা মুদ্গল (হিন্দী)**
**অনুবাদঃ দীপজ্যোতি বৰা**

দুয়োখন হাতত আলোচনী-কাকতৰ মস্ত' দ'ম এটা লৈ সি সোঁবাহুৰ হেঁচাৰে লাহে লাহে দুৱাৰখন খুলিলে আৰু খুব সাৱধানে গাড়ীৰ শীতল ডবাটোত প্ৰৱেশ কৰিলে। বাসন্তী উষ্ণতাত ভিজা তাৰ শৰীৰটোত হঠাৎ এক সুগন্ধিত শীতলতাই পাহাৰী নিজৰাৰ দৰে আহ্লাদ তুলিলে। দুৱাৰৰ কাষৰ পৰা অলপ আঁতৰি আহি চীট এটাত আওজি সি তাৰ দেহৰ সমস্ত ভৰ চীটটোলৈ এৰি দিলে। ডবাটোত আগৰে পৰা চেতাৰৰ ঝংকাৰ বাজি আছিল; যাৰ মৃদু মৃদু স্বৰ তাৰ দৰে ভাগৰুৱা এজনৰ মনত গুঞ্জন তুলিবলৈ যথেষ্ট। তাৰ মনলৈ আহিল গাঁৱৰ কনক্টা কাচীৰ অবাক লগা শব্দকেইটা –"দাদা অ'! এইটো ৰে'লৰ ডবা নে কোনোবা সৰগলোক !"

ডবাটোত মাত্ৰ দুই-চাৰিখন আসনহে পূৰ হৈছে। যাত্ৰীবোৰ আহি আছে – নিশব্দে, নিস্তৰংগভাবে। আগফালে হেলান দি আগবঢ়া তেওঁলোকৰ চকুবোৰে মাথোঁ চীটৰ পিছফালে থকা নম্বৰত নিজৰ নম্বৰটো বিচাৰিছে আৰু দ্বিতীয় এজনৰ সৈতে এটাও শব্দ নোকোৰাকৈ বয়-বস্তু সহিতে নিজৰ আসনত বহিছে। ৰে'লে ৰে'লে ঘুৰি ফুৰা চটাংকিৰ বাবে এই 'ঠাণ্ডা গাড়ী'ৰ যাত্ৰীবোৰ যেন আন কোনো পৃথিৱীৰ বাসিন্দা। শান্ত, সৌম, পৰিস্কাৰ। এওঁলোকে কথা ক'লে শব্দ নহয়, মাথোঁ ওঁঠ দুটা কঁপে। এওঁলোকৰ হাঁহি শুনিবলৈও মানুহক দৃষ্টি লাগে।

এনে শীতল ডবাত আলোচনী বেচি সি আটাইতকৈ ভাল পায়। পুৱাৰ পৰাই সি এই 'ঠাণ্ডা গাড়ী'ৰ অপেক্ষা কৰে। এটা অতৃপ্তিৰে সৈতে সি অন্য ৰে'লৰ ডবাই ডবাই ঘূৰি ফুৰে আৰু বিতৃষ্ণাত নাক কোঁচায়, মনে মনে ক্ৰুদ্ধ হয় যে চৰকাৰে কিয় আটাইবোৰ ৰে'লকে এই 'ঠাণ্ডা গাড়ী'ৰ দৰে কৰি নিদিয়ে! সি ভাবে যে ৰে'লবোৰৰ লগে লগে যাত্ৰীবোৰৰো চেহেৰা সলনি হৈ যাব। তেতিয়া সিও ৰুক্ষ-শুকান চেহেৰাবোৰৰ মাজত দোলি-দোলি পত্ৰিকা বেচাৰ পৰা মুক্তি পাব। সেই জীৰ্ণ চেহেৰাবোৰে পত্ৰিকা চাই বেছি, কিনে কম। যেতিয়া তেওঁলোকৰ পচন্দৰ আলোচনীখন দ'মটোৰ পৰা আঁজুৰি উলিয়াই, তাৰ হাতৰ গাঁঠিৰ যোৰা যেন পৃথক হৈ

যায়। কিন্তু তাৰ সমস্যাৰ কথা ভাবিবলৈ তেওঁলোকৰ কিহৰ গৰজ ?

‘কৃপন গাড়ীৰ কৃপণ যাত্ৰী ...!’

যাত্ৰীসকল আহিব ধৰিছিল। তথাপি তাৰ এতিয়াই ফেৰী দিয়াটো ভাল নহ’ব যেন বোধ হ’ল। নিজৰ চীটত আৰামেৰে বহাৰ পাছতহে যাত্ৰীয়ে তেওঁলোকৰ দীঘলীয়া যাত্ৰাৰ বিৰক্তি অনুভৱ কৰে। তেতিয়া সময় কটোৱাৰ বাবে তাৰফালে আকৰ্ষিত হ’ব। যদি সি এতিয়াই ফেৰী দিয়া আৰম্ভ কৰে, মাথোঁ তাৰ কিলাকুটিত বিষ হ’ব। লগতে তেওঁলোকৰ ভ্ৰূৰ ঘৃণিত ভৎৰ্সনাৰ সন্মুখীন হ’ব। তাৰ হাত ইতিমধ্যে পিষ্ট হৈ আছে। অলপ সময়ৰ বাবে হ’লেও সি এতিয়া পত্ৰিকাৰ দ’মটো চীটত থ’ব পাৰিব। সি খালী চীট এটা চাই হাতৰ দ’মটো আওজাই থ’লে আৰু জিনজিননি উঠা হাতখন জোঁকাৰি দিলে।

আৰু কেইমিনিটৰ পাছতে সি ফেৰী লগাব। তাৰ শেন চকুযোৰে যাত্ৰীবোৰক এজন-এজনকৈ নিৰীক্ষণ কৰিলে। দুই-এজনৰ লগতহে বাতৰি কাকত আছে। কিন্তু বাহি-কাকতেনো ক’ত দূৰ কৰিব পাৰে দীৰ্ঘযাত্ৰাৰ বিৰক্তি ! আধা ঘন্টাৰ বাট নহয়তো ! গাড়ী ৰখাইও ছয়-সাত ঘন্টা দৌৰাৰ পাছতহে !

সি গাঁৱত থাকোঁতে তাৰ পাঠশালাৰ বন্ধু মনসুখে তাৰ দেউতাকৰ অভিজ্ঞতাৰ পৰা শুনা এটা অদ্ভুত গল্প কৈছিল যে এনে আজৱ ৰে’ল দিল্লীত চলিছে—‘ৰাজধানী’ নে কিবা নাম; যেতিয়া সেইখন প্লেটফৰ্মেৰে পাৰ হয়, ওচৰৰ মানুহবোৰে খুঁটাত ধৰিব লগা হয়। নহ’লে সিও ৰে’লৰ লগতে উৰি যায়। ... তেতিয়া মনসুখৰ কথাবোৰ তাৰ বিশ্বাস হোৱা নাছিল, একেবাৰে সাধু যেন লাগিছিল। কিন্তু ইয়ালৈ অহাৰ পাছত...

“নতুন ষ্টাৰডাষ্টখন আছেনে? এপ্ৰিলৰ?” সমুখৰ চীটটোৰপৰা যাত্ৰী এজনে আগ্ৰহ দেখুৱালে।

“ষ্টাৰ...? হয় হয়, আছে দাদা।”

সি উৎসাহেৰে সৈতে চীটত থোৱা পত্ৰিকাৰ দ’মটোলৈ হেলান দিছিলহে মাথোন, তেনেতে পিছফালৰ পৰা এটা মৃদু অথচ দৃঢ় মহিলা কণ্ঠই ‘এয়া এসত্তৰ-বাসত্তৰ’ বুলি সতৰ্ক কৰি দিলে যে চীটকেইটাৰ যাত্ৰী আহি পালে। ফলত সি পলম নকৰাকৈ পত্ৰিকাৰ দ’মটো নিজৰ কোলালৈ তুলি ল’বলৈ বাধ্য হ’ল। যাত্ৰীজনে বিচৰা পত্ৰিকাখন উলিয়াবলৈ সি তেওঁৰ কাষতে আঠুকাঢ়ি বহি ল’লে।

ইংৰাজী ‘বাট...পুট’তকৈ বেছি সি একো নাজানে, পত্ৰিকাৰ বেটুপাতত ছপা ছবিবোৰেই তাৰ বাবে লিপি। ৰাজীৱ গান্ধীৰ ছবি থকাখন ‘নিউ ইণ্ডিয়া টুডে’। কিমি কাটকাৰ আৰু শত্ৰুঘ্ন সিন্হাৰ হাঁহিলগা মুখৰ সৈতে সেইখন ‘ফিল্মী কলিয়াঁ’। বিকিনি পিন্ধি ভাঁজ লাগি ঠিয় দি থকাখন ‘ষ্টাৰডাষ্ট’!

‘এইয়া বেটী হাতত পৰিল!’

"লওক দাদা, এইখন ষ্টাৰডাষ্ট।" যুদ্ধ জয়ীৰ গৰ্বিত হাঁহিৰে সৈতে সি পত্ৰিকাখন আগবঢ়াই দিলে।

যাত্ৰীজনে ললায়িত দৃষ্টিৰে ডিম্পল কপাড়িয়াৰ ছবিখন চাই ৰ'ল। 'খাটাং বিক্ৰী হ'ব।' সি মনে মনে ভাবিলে। যাত্ৰীজননো কি?... তাৰ নিজৰো ছবিখনলৈ—'আম্মাৰ পিয়াহ কেইটা ইমান ভৰুণ নহয় বা কিয়?' বস্তা-চিলেট লৈ পাঠশালালৈ যোৱাৰ পাছতো সি গাখীৰৰ অভ্যাস এৰা নাছিল। ভৰ দুপৰীয়া ভাগৰত শুই পৰা মাকৰ শুকান পিয়াহ দুটাত মুখ লগোৱাৰ বাবেও সি সংকোচ কৰা নাছিল। টোপনি নষ্ট কৰাত মাকে তাক ঠেলা মাৰি উঠি গৈছিল—"হতচিৰি যোৱা, শুবলৈও শান্তি নাই! চোবাই খাইছে এৰিবি মোক!... আঁতৰ হ..." সি আঁতৰি গৈছিল।

সিও বাবুভাইক অনুৰোধ কৰিব যে এখন 'ষ্টাৰডাষ্ট' তাকো লাগিব। লাগিলে, দামটো তাৰ হিচাপৰ পৰাই কাটি লওক।

"পঞ্চাছ টকাৰ খুচুৰা হ'ব?"

"নহ'ব দাদা..." তাৰ মুখখন সেমেকি আহিল।

"তেন্তে আৰু কেইখনমান বেচি ল, তাৰ পাছত আহি লৈ যাবি মোৰ পৰা।"

"ঠিক আছে, দাদা।"

দ'মটো বোকোচাত লৈ পত্ৰিকাবোৰৰ নাম এটা বিচিত্ৰ সুৰত এখন এখনকৈ মাতি গ'ল। সি যিমান পাৰে খৰকৈ ফেৰী লগাব ধৰিলে, এইটো দবা শেষ কৰি সি পাছৰ দবাটোতো ফেৰী লগাব লাগিব। দুটাতকৈ বেছি দবাত ফেৰী দিয়া তাৰ বাবে সম্ভৱ নহয়। এফালে তাৰ চাৰিফুটীয়া শীৰ্ণ কায়া, আনফালে প্ৰায় দহ কেজি ওজনৰ পত্ৰিকাৰ দ'মটোৱে তাৰ বাহু দুটা জঠৰ কৰি তোলা যন্ত্ৰণা! আকৌ, সূতাৰে বান্ধি থোৱা তাৰ মলিয়ন খাকী হাফপেন্টটোৱেও কেইখোজমান গ'লেই ৰঙা চকু দেখুৱাই কঁকালৰ পৰা নামি যাব খোজে। কিমান দিনৰ পৰা সি ভাবি আছে যে তাৰ হিচাপৰ পৰা অলপ টকা বাবুভাইৰ ওচৰতে জমা কৰি সি এটা নতুন বেল্ট লগোৱা পেণ্ট কিনিব! তেতিয়া লাগিলে যিমান গধূৰ হওক সেই বহুৰঙী পত্ৰিকাৰ দ'ম— সাধ্য আছে, পেন্ট তললৈ নামিবলৈ?

ভাল আৰম্ভণি কৰিলে ডিম্পল কাপাড়িয়াই। 'মেদবহুলতা কিদৰে হ্ৰাস কৰিব পাৰি' বিষয় নিৰ্ভৰ 'গৃহশোভা'ৰ সাত-আঠ কপি দুয়োটা দবাতে বিক্ৰী হ'ল। আগ্ৰহী যাত্ৰীবোৰে বিনা দ্বিধাই পত্ৰিকা কিনিলে। অৱশ্যে সি পুৰুষ যাত্ৰীবোৰ বেছি ভাল নাপায়। প্ৰথম কথা যে, তেওঁলোকে বেছি ইংৰাজী পত্ৰিকাহে বিচাৰে, তাকো খবৰ কাগজহে! তেওঁলোকে কোৱা নামবোৰ শুনি সি চিন্তাত পৰি যায়। দ্বিতীয়তে, তেওঁলোকে 'এইখন দিয়া, সেইখন দিয়া' বুলি

যেনেকৈহে দ’মটোৰ পৰা টানি-আজুৰি পত্ৰিকা উলিয়ায়; তাৰ বাহু ছিগি যোৱাৰ উপক্ৰম হয়।

শীতল গাড়ীত থকাৰ পাছতো তাৰ দেহ ঘামিছে। বাবুভায়ে আজিৰ বিক্ৰী দেখি নিশ্চয় সুখী হ’ব। তেনেতে দৰ্জা ঠেলি টিকট বাবু সোমাই অহা দেখি সি কিছু অপ্ৰস্তুত হ’ল। টিকট বাবু উঠি অহা মানেই গাড়ীয়ে প্লেটফৰ্ম এৰাৰ সময় হৈছে। এই শীতল গাড়ীৰ এক বিচিত্ৰ নিয়ম যে— প্লেটফৰ্ম এৰাৰ আগেয়েই দৰ্জা আপোনা-আপুনি বন্ধ হয়। সেয়ে কিছু আগৰ পৰাই এটা দৌৰা-দৌৰিৰ পৰিৱেশ সৃষ্টি হয়। পলমকৈ অহা যাত্ৰীসকলে ভিতৰলৈ সোমাবৰ খৰধৰ কৰে আৰু গাড়ীত উঠাবলৈ অহা আত্মীয়ৰ নামি যোৱাৰ খৰ্ধৰ। কিন্তু তাৰ এতিয়াও আগৰ দবাৰ পৰা দাম উঠাব লগা আছে— কথাষাৰে তাক কিছু চিন্তাত পেলালে।

দ্বিতীয় দবাত ভৰি দি সি মনত পেলাব নোৱাৰিলে যে কাক কাক সি পত্ৰিকা বিক্ৰী কৰিছিল আৰু কাৰ কাৰ পৰা দাম উঠাব বাকী আছে! তাৰ চিন্তা বাঢ়িল। খুবসম্ভৱ এজন সেই পিছৰ চীটৰ দাদাজন; সি পুনৰ ভাবিলে— হয়, হয়, তেওঁ ৰাজীৱ গান্ধী থকা পত্ৰিকাখন লৈছিল আৰু তেওঁৰ হাতত খুচুৰা নাছিল। সি বেগেৰে আগবাঢ়ি গৈ তেওঁৰ ওচৰত থিয় হ’ল। অৱশ্যে তেওঁ আগতীয়াকৈ খুচুৰা টকাৰ যোগাৰ কৰি থৈছিল; সেয়ে তাক সমুখত দেখিয়েই টকাকেইটা আগবঢ়াই দিলে। সিও টকাকেইটা সন্তোষেৰে হাত পাতি ল’লে।

তাৰ অন্য কাৰোবাৰ পৰাও টকা উঠাব লগা আছে!... কিন্তু কাৰ? তাৰ মনত পৰা নাই। শংকিত হৈ সি “টকা, টকা, দাদা টকা...” চিঞৰি যাত্ৰীৰ মনোযোগ আকৰ্ষণৰ চেষ্টা কৰিলে। সি ভাবিছিল, তাৰ মাত শুনি দিব লগা সকলে নিজেই সচেতন হ’ব। কিন্তু তাৰ ভবা মতে একো নঘটিল। কোনোৱে একো সাৰ-সুৰ নকৰিলে। কোনেও তাৰফালে চোৱা নাই, যেন তাৰ লগত কাৰো একো লেন-দেন নাই।

সি দবাটোৰ পৰা নামি যাবই খুলিছিল, হঠাৎ তাৰ মনলৈ আহিল সেই চশমা পিন্ধা বাইদেউগৰাকীয়ে কেইবাখনো পত্ৰিকা একেলগে চাবলৈ লৈছিল। তাৰ পৰা দুই-তিনিখন তেওঁ ৰাখিছিল। খুব সম্ভৱ—‘গৃহশোভা’ আৰু ‘মনোৰমা’। সি খৰধৰকৈ চীটটোৰ ফালে আগবাঢ়িল।

হয়, এইগৰাকীয়েই! তেতিয়া চশমা পিন্ধি আছিল, ৰ’দৰ চশমা! দবাত ৰ’দ নাই বাবেই হয়তো এতিয়া খুলি থ’লে। কোলাত আলোচনী এখন থোৱা আছে। আধা মেলা। ‘মনোৰমা’ যেন লাগিছে।

“বাইদেউ, পইচা?” সংকোচ এৰি সি পোনে পোনে সম্বোধন কৰিলে।

“পইচা? কিহৰ পইচা?”

"দুখন মেগাজিনৰ..." সি কোলাত মেলি থোৱা পত্ৰিকাখনলৈ দেখুৱাই ক'লে—'কইনাৰ ফটো থকা এইখন 'মনোৰমা' আৰু..."

"ইউ, চাট আপ, ইডিয়ট..." তাৰ কথা শেষ হোৱা আগতেই মহিলাগৰাকী চিঞৰি উঠিল—"...এইখন মোৰ 'মনোৰমা'। ঘৰৰ পৰা লৈ আনিছোঁ।"

ধমক পাই তাৰ মুখখন শেঁতা পৰিল। তথাপি দুখন পত্ৰিকাৰ দাম এৰি দিব নোৱাৰি। অলপ সাহস গোটাই সি পুনৰ মনত পেলোৱাৰ যত্ন কৰিলে—"আপুনি একেলগে দুই-তিনিখন পত্ৰিকা চাবলৈ লৈছিল..."

"তই অন্য কাৰোবাক দিছিলি ইডিয়ট...." তেওঁ যেন খঙৰ শীৰ্ষবিন্দুত উপনীত হৈছিল। "এইখন 'ৰাজধানী' নে অন্য কিবা? কেনে কেনে অসভ্যবোৰক সোমাব দিয়ে? পেছেঞ্জাৰৰ লগত কথা পতাৰ শিষ্টাচাৰ নাজানে...।"

যাত্ৰীগৰাকীয়ে সমৰ্থনৰ আশাত কাষৰ চীটত বহি থকা বয়সস্থ ভদ্ৰলোকজনলৈ চালে। তেওঁ একো নকৈ নিৰপেক্ষ মুদ্ৰাত বহি থাকিল। ক'বনো কি তেওঁ? পাছত অহা লোক !

গাড়ীখনত সামান্য কম্পন হ'ল। সি সচকিত হৈ উঠিল। এতিয়া আৰু তৰ্ক কৰি লাভ নাই। যিকোনো মুহূৰ্ততে গাড়ীয়ে পাগল ঘোঁৰাৰ নিচিনাকৈ বেগ ল'ব। তাৰ আগতেই সি নামিব লাগিব। এনে শীতল গাড়ীৰ এইবোৰেই অসুবিধা! সময়ৰ একো হেৰ-ফেৰ নহয়। কেনেবাকৈ নামিব নোৱাৰিলে চিধা 'কোটা'ত নামিবগৈ লাগিব। সময় নষ্ট নকৰি সি দৰ্জাৰ ফালে আগবাঢ়িল আৰু প্লেটফৰ্মত ভৰি দিছিলহে মাত্ৰ— তাৰ পিছফালৰ পৰা হঠাৎ টিকট বাবুৱে এখন পত্ৰিকা দ'মটোৰ পৰা টানি উলিয়াই ল'লে— "তোৰ বাপেৰৰ গাড়ী পাইছ'?"

তাৰ একো কোৱাৰ সাহস নহ'ল। সি মনে মনে আঁতৰি আহিল।

ইফালে বিনা গ্ৰাহকেৰে বুক ষ্টলত থিয় দি থকা বাবুভায়ে তাৰ সেমেকা মুখখন দেখি আচৰিত হৈ উঠিল। এনেই অন্য দিনত শীতল গাড়ীত উঠাৰ সময়ত চটাংকিৰ চেহেৰা উৎফুল্লিত হৈ থাকে। নমাৰ সময়তো সি মুখত লৈ আহে ঠিক ভোজ খাই অহা মানুহৰ মুখৰ দৰে তৃপ্ততা। কিন্তু আজি তেনে নহয়। তাতে এতিয়া উভতি অহাৰ সময় হোৱা নাছিল।

"চটাংকি, কিয় ঘূৰি আহিলি ? বম্বে ডিলাক্স তিনি নম্বৰত লাগি আছে। পাহৰিলি নেকি?"

বাবুভাইৰ কথা তাৰ কাণত নোসোমাল। দীঘলীয়া উশাহ এটা টানি সি দোকানৰ আগফালে ওলাই থকা তক্তাখনতে পত্ৰিকাৰ দ'মটো থ'লে আৰু নিজৰ সোঁহাতখনেৰে বাঁওহাতখন মোহাৰিব ধৰিলে। তাৰ হাতখনত তেজ বন্ধ হৈছিল। সি কিমান বাৰ যে মিনতি

কৰিছে বাবুভাইক, তাক হাতীৰ সমান ওজন কৰি পত্ৰিকাৰ দ'মটো নিদিবলৈ; কিন্তু বাবুভাইৰ সেই একেই পুৰণি চতুৰ যুক্তি— "আৰে, ভিখাৰীৰ শূন্য পাত্ৰ দেখি দানীৰ হাতো বিৱশ হৈ পৰে!" আলোচনীৰ ভাল কালেকশ্বন নেদেখিলে গ্ৰাহক প্ৰলোভিত নহয়।

হতাশাৰে ভৰা চকুযুৰিৰে সি চাৰিওফালৰ মানুহবোৰলৈ চালে। বিদায় দিবলৈ অহা মানুহৰ ভিৰটো মন্থৰ গতিৰে ঘৰলৈ উভতিছে। "চাহ একাপ খাই আহোঁ..." শুকাই টেঁমি যেন হোৱা চেহেৰাৰে সি ক'লে।

"চুপ্...! মাথা নষ্ট হৈছে নেকি তোৰ... ব্যৱসায়ৰ সময় গৈ আছে। চাওঁ, হিচাপ দে। কিমান কপি লৈ গৈছিলি মুঠতে ? আৰু সোনকালে তিনি নম্বৰ পাবগৈ লাগিব।"

"আ... বাষষ্ঠী ।"

"বাষষ্ঠী নে পয়ষষ্ঠী ?"

তাৰ খেলিমেলি লাগি গ'ল। বাহু জোকাৰি থকাটো সি বন্ধ কৰিলে – "হয়, তিনিখন আপুনি যোৱাৰ সময়ত দি দিছিল ... বৰটোপৰ ফটো থকা..."

"ষ্ট'কৰ পৰা নিছিলি নেকি বেলেগ ? কিমানখন গ'ল? কোন কেইখন বিক্ৰী গৈছে ? তালৈ বাট নাচাই অধৈৰ্য্য বাবু ভাইয়ে নিজেই গণনা কৰিবলৈ ধৰিলে। তেওঁ আধা হৈছিলহে মাথোন, তেনেতে কলেজীয়া ছাত্ৰী যেন এগৰাকী কিশোৰী আহিল কুমাৰ কাশ্যপৰ নতুন উপন্যাস 'কইনাৰ সপোন' বিচাৰি। বাবু ভাইয়ে মুখৰ ৰুক্ষতা অন্তৰ্ধান কৰি হাঁহিমুখীয়া হৈ পৰিল – "কিতাপখন খুব বিক্ৰী হৈছে ভণ্টি। তোমাৰ কাৰণেই লাষ্ট কপি বাছি আছে।"

তেওঁ মুখতেই মিছা মাতিলে আৰু তলত ৰাখি থোৱা বাণ্ডিলটোৰ পৰা এটা কপি কিশোৰীজনীলৈ আগবঢ়াই দিলে। তায়ো হাতৰ মুঠিত লৈ অহা পঁচিশ টকা তক্তাখনৰ ওপৰতে থৈ গুছি গ'ল। হয়তো প্লেটফৰ্মত তাইৰ গাড়ী বৈ আছে আৰু পৰিয়ালৰ চকুত ধূলি দি তাই উপন্যাসখন কিনি নিছে – বাবু ভাইয়ে অনুমান কৰিলে।

পুৰা আঠ বজাৰ পৰা নিশা দহ এঘাৰ বজালৈকে বুক ষ্টলত থিয় দি দি বাবুভাইৰ শেনচকুৰে যাত্ৰীৰ জেপৰ পৰা মনলৈকে পঢ়িব পৰা হৈছিল । পত্ৰিকাৰ বাণ্ডেলটো লৈ ঘূৰি তেওঁ দেখিলে চটংকিয়ে আলোচনীবোৰ গণনাৰ চেষ্টা কৰিছে । ভৰিৰ গেৰোৱা দাঙি সি দ'মটোৰ শীৰ্ষ পাব খুজিলে, যদিও তাৰ উচ্চতা এইক্ষেত্ৰত অক্ষম প্ৰতিপন্ন হ'ল । বাবু ভায়ে তাক ঠেলা মাৰি আঁতৰালে আৰু নিজে নোট গণনা কৰাৰ দৰে আঙুলিত থু লগাই আলোচনী জোখা আৰম্ভ কৰিলে ।

"আঠচল্লিছখন আছে ... মানে ৰাতিপুৱাৰ পৰা বেচিলি মাত্ৰ সোতৰখন । তই চোন বৰ

ফূৰ্তিত যাব শীতল গাড়ী লৈ ¬--- পঢ়া-লিখা জনা যাত্ৰী থাকে তাত – তেন্তে কি হ'ল এতিয়া ? টকাখিনি দে – কি ভূতৰ নিচিনা থিয় দি আছ' ? দে তিনি নম্বৰখনো যাব এতিয়া।" বাবু ভাই তাৰ উদাসীন চেহেৰাত ক্ৰুদ্ধ হ'ল। তেওঁ হিচাপ কৰিবলৈ পেঞ্চিল-বহী উলিয়ালে।

"ইণ্ডিয়া টুডে কিমান?" প্ৰশ্নটো শুনি তাৰ বুকুৰ ধপধপনি বাঢ়ি গ'ল। কাণ দুখন গৰম হৈ আহিল। এটা কপি কণ্ডাক্টৰ বাবুৱে ৰাখি দিয়া কথাটো ক'বলৈ তাৰ সাহস নাছিল। কিন্তু ক'বতো লাগিবই। নহ'লে হিচাপ নিমিলিব।

"তিনি । তিনিৰে এখন... " সি বৈ গ'ল।

"এখন? কি এখন ?"

"নমাৰ সময়ত টিকট বাবুৱে ৰাখি থ'লে।"

"আৰু তই ৰাখিবলৈ দিলি ?"

সি একো নামাতিলে। মাথোঁ তলমূৰ কৰি ভৰিৰ বুঢ়া আঙুলিৰে প্লেটফৰ্মৰ মজিয়া ঘঁহিবলৈ ধৰিলে।

"তোৰ নাটক শেষেই নহয় চাল্লা। মই মালিক নহয়, চাকৰেই। ক'ৰ পৰা ভৰিম ইয়াৰ দাম। .... ঐ নবাবৰ বাচ্চা। দবাই দবাই টিকট বাবু পাবি আৰু তই চবকে ফ্ৰীকে মেগাজিন বিলাই ফুৰিবি ? দান কৰিব আহিছ ..." হাতৰ মুঠিতো টান কৰি গালিৰে তাক ধুৱাই ধুৱাই পুতি পেলালে।

"এইটো তোৰ হিচাপৰ পৰা কটা যাব। আৰু ক'?"

তাৰ কান্দোন উঠি আহিছিল লাহেকৈ। ডিম্পল কাপাডিয়া ছয়, নহয় সাত ... নহয় নহয় ছয় .."

"গৃহশোভা?"

"সাত"

"চিত্ৰলেখা?"

সি মূৰ জোকাৰি বিক্ৰী নোহোৱাৰ ইংগিত দিলে ।

"মনোৰমা?"

সি ভাবি নাপালে কি উত্তৰ দিব, ৰ'দৰ চশমা পিন্ধা মানুহগৰাকীৰ কথা মনলৈ আহিল।

"ফিল্মী কলিয়াঁ?"

"এক ... নহয়, ওভতাই দিছিল।"

"তিনিখন 'ইণ্ডিয়া টুডে' আৰু 'মনোৰমা' মিলি মুঠ হ'ল সোতৰ আৰু তই হিচাপ দিছ তেৰখনৰ?" বাবু ভাইয়ে আকৌ সতৰ্কতাৰে পত্ৰিকাসমূহ গণিলে। হিচাপ তেওঁ বুজিলে। কোনখনৰ কিমান কপি দিছিল – সেইটো মনত থাকিলে হিচাপ উলিওৱা সহজ । এই পেণ্ডুকণা চটাংকিয়ে তেওঁক কি ঠগিব পাৰে! বাবু ভাইয়ে হিচাপ কৰি পেলালে – মুঠ এশ সাতাৱন্ন।

"তোৰ ওচৰত কিমান আছে?"

"কঁপা কঁপা স্বৰত সি ক'লে – এশ আৰু চল্লিছ আৰু তিনি?"

"কি?" বাবুভাইৰ মাততো পুনৰ ডাঙৰ হৈ আহিল "ভালকৈ চা; দুয়োটা জেপত ?"

সি দুয়োটা জেপত হাত ভৰাই খালি থকাৰ ইংগিত দিলে।

"ক'ত পেলাই থৈ আহিলি, কটা নিধক?" বাবু ভাই গৰজি উঠিল। তাৰ চকু দুটা চলচলীয়া হৈ উঠিল। ৰ'দৰ চশমা পিন্ধা মহিলাগৰাকী আৰু টিকটবাবুৰ মুখ দুখন মনলৈ আহিল।

"ইণ্ডিয়া টুডে আৰু মনোৰমাৰ দাম চৈধ্য ..." বাবুভায়ে হিচাপ কৰিলে। তাৰপাছত তাৰ ফালে চালে। আজি তাৰ খেল খতম। সি বুজিলে যে এইবাৰ তাক মাফ কৰাত নাই।

"আগৰ টকা আছিল বত্রিছ; লোকচানৰ চৈধ্য কাটি থাকিল ওঠৰ ... আজিৰ কমিশ্যন তিনি ; হ'ল মুঠতে একৈশ। ... এইটো ল' একৈশ টকা আৰু আঁতৰ হ' ইয়াৰ পৰা । ... সেৱাশ্রম পাইছ এইখন। ভিক্ষাৰীক দয়া কৰোঁতে মোৰ নিজৰেই দোকান বন্ধ হ'ব। এনেই কিমান কষ্টত ডেৰ-দুই টকা কমিছন পাওঁ, তাৰে তোক দিওঁ ... তথাপি তোৰ মূৰত নধৰে ... এনেকৈ হ'লে কিহৰ ব্যৱসায় চলিব?"

তাৰ চকুলো বৈ আহিল।

"আচলতে তই ইমান অঁকৰা নহয়, এক নম্বৰৰ বদমাচ। নিজেই টকাৰ খেলি-মেলি কৰি থৈ আহিছ..."

সি উচুপনি এটা লৈ মিনতি কৰিলে "আজি দুটাৰ দাম ল'বই নোৱাৰিলোঁ। গাড়ী এৰিব হৈছিল, খুচুৰাও নাছিল; সেইবাবেই থাকি গ'ল। ... যদি কিছু খুচুৰা টকা থাকে, তেন্তে আগলৈ এনে ভুল নহয়....।"

"তই ভুল নকৰিবি । কি বিশ্বাস তোৰ? বোলে মেগাজিন আৰু টকা গোটেইবোৰ লৈ পলালি কোনোবাদিনা? ...পাহৰিলি, তিনিদিন খালী পেটে পৰি আছিলি প্লেটফৰ্মত। এতিয়া পেটত ভাত পৰাৰ লগে লগে মোৰ চকুত ধূলি দিব আহ?.... যা এতিয়া ইয়াৰ পৰা। নহ'লে গণি গণি কিল খাবি।"

তত্তাখনৰ তলেৰে গৈ সি বাবু ভাইৰ ভৰিত ধৰিলে – "আৰু এবাৰ মাফ কৰি দিয়ক বাবু ভাইয়া। এবাৰ..."

বাবু ভাইৰ ভৰিত যেন শূলে বিন্ধিলে। তেওঁ অতি নিৰ্দয়ভাৱে তাক গোৰ মাৰি দিলে। সি আঁছাৰ খাই দোকানৰ সন্মুখত পৰিল। ওচৰৰ ফলবেপাৰী, চানাৱালাই তাক মন কৰিলে।

সি কিন্তু অলপো লাজ নাপালে। বৰঞ্চ অধিক আকুলতাৰে পুনঃ বাবুভাইৰ ভৰিত ধৰিলে। যি হ'লেও সি বাবুভাইক এৰি যোৱাৰ কথা ভাবিব নোৱাৰে। ইমান ডাঙৰ ষ্টেচনটোত তাক বাবু ভাইয়েই তাক প্ৰথম চাহৰ গিলাচ এটা আগবঢ়াই দিছিল। তেওঁৰ দোকানৰ তলতে

শুবলৈ অনুমতি দিছিল। পুলিচজনকো তাক অসুবিধা নিদিবলৈ অনুৰোধ কৰি দিছিল।

"এইবাৰ মোক মাফ কৰি দিয়ক, বাবু ভাইয়া। আৰু ভুল হ'লে মোক ক্ষমা নকৰিব।" সি তেওঁৰ ভৰিখন তেতিয়াও ধৰি আছিল । আঁতৰি গ'লেই বা যাব ক'লৈ? গাঁৱততো তাৰ কোনো ঠিকনা নাই, আপোন বুলিবলৈও কোনো নাই। আম্মাই চকু মুদা পাছতে তাক মামীয়েকে লৈ গৈছিল তেওঁৰ ঘৰলৈ। কিন্তু ওৰেতো দিন কাম কৰি দাবী-ধমকি খোৱাৰ বাদে কোনো দিন পেট পূৰাই খাবলৈ নাপালে।

বাবু ভাইৰ টেঙৰ মগজুত লাভ-লোকচানৰ হিচাপৰ দৌৰ চলি থাকিল। লোকচানতো তেওঁৰ হোৱা নাই .... লোকচানৰ সকলো টকা তেওঁ চটংকিৰ হিচাপৰ পৰা কাটি ৰাখিছে। লোকচান তেওঁৰ কোনো দিন হোৱা নাই। তেওঁ নিজৰ কমিচন পাই আছে। সেয়া লাগিলে পত্ৰিকা বেচি হওঁক অথবা চটংকিৰ হিচাপৰ পৰা কাটি.... তাত তেওঁৰ কি মতলব? তাতে আজিৰ দিনত ইমান কম পইচাত কোনে কাম কৰিব ?

"উঠ" তেওঁ চটংকিক নিজৰ ভৰি এৰিবলৈ সংকেত দিলে আৰু কাষত ৰখা পত্ৰিকাৰ দ'মটোত সাতখন 'গৃহশোভা', চাৰিখন 'ইণ্ডিয়া টুডে', ছখন 'ষ্টাৰডাষ্ট' আৰু এখন 'মনোৰমা' লগলগাই তাৰ হাতত তুলি দিলে।

"এতিয়া কি ভেবা লাগি চাই আছ'? দেখা নাই পাঁচ বাজিবৰ হৈছে। তিনি নম্বৰলৈ দৌৰ এতিয়াই;... ডিলাক্স যাব হৈছে।"

সি কৃতজ্ঞ দৃষ্টিৰে বাবুভাইলৈ চালে আৰু অতি উল্লাসেৰে সৈতে পত্ৰিকাৰ দ'মটো কোলালৈ তুলি প্লেটফৰ্মৰ ফালে খোজ দিলে। প্লেটফৰ্মত তেতিয়া মানুহৰ দৌৰা-দৌৰি, মেলাৰ দৰে বৃহৎ ভীৰ। অলপমান অসাৱধানতাৰ অৰ্থ হ'ব পত্ৰিকাবোৰ যাত্ৰীৰ তলুৱাৰ তলত পৰি যোৱা। পত্ৰিকাৰ দ'মটো সি নৱজাত শিশুৰ দৰে বুকুলৈ চপাই ল'লে। নিজৰ লাগিলে যিয়েই নহওঁক, পত্ৰিকাৰ দ'মটোৰ সি একো হ'বলৈ দিব নোৱাৰে। নহ'লে তাৰ নতুন হাফপেণ্ট এই জনমত নাহিব। এই কথা ঠিক যে এতিয়া সি খুচুৰা নথকা কোনো যাত্ৰীকে পত্ৰিকা নেবেচে আৰু যদি কোনোৱে চাব খোজে, তেন্তে সি সন্মুখত থিয় দি থাকিব । পঢ়া-লিখা মানুহে এনে কাম কৰেনে ? আম্মাই তাক এনে পঢ়া-লিখা জনা মানুহ কৰাৰ সপোন দেখিছিলনে?

গাড়ী এৰাৰ সময় হৈছিল। বিক্ৰী হোৱাৰ আশা নাই। দবাৰ ভিতৰত সোমোৱাতো এতিয়া অসম্ভৱ। সি খিড়িকিৰ কাষে কাষে খোজ কাঢ়িয়েই ফেৰী লগাব ধৰিলে।

"অই ল'ৰা। ফিল্মী কলিয়াঁ আছে?" কোনো যাত্ৰীয়ে তাক মাত দিলে। সি চাওঁতে ওচৰৰ খিড়িকি এখনত এজন আদহীয়া লোকে

তাৰ ফালে চাই থকা দেখা পালে। তাৰ ভীষণ ফূৰ্তি লাগিল।

“আছে বাউজী।” বুলি সি পত্ৰিকাৰ দ’মটো খিড়িকিত আওৰাই এখন ‘ফিল্মী কলিয়া’ তৎপৰতাৰে আগবঢ়াই দিলে।

“কিমান?” পত্ৰিকাখনত চকু ফুৰাই ভদ্ৰলোকজনে সুধিলে।

“মাত্ৰ আঠ টকা, বাউজী।” তেওঁ পঞ্চাচ টকীয়া নোট এখন আগবঢ়াই দিলে।

“খুচুৰা নাই, বাউজী?” সি অল্পস্বৰেৰে ক’লে।

“থাকিলে নিদিম নেকি?”

তাৰ মূৰত এটা বুদ্ধি খেলালে। সি থাপ মাৰি পঞ্চাশ টকীয়া নোটখন আগবাঢ়ি ল’লে “এতিয়াই দোকানৰ পৰা খুচুৰা কৰি আনিছোঁ... মাত্ৰ তিনিটা দবা পাৰ হ’লেই দোকান ? এই গ’লোঁ এই আহিলোঁ...”

তেনেতে গাড়ী এৰাৰ প্ৰথম ধাক্কাটো দিছিল।

খিড়িকিত মুখ লগাই মানুহজনে চিঞৰিলে, “জল্দী আহিবি ?”

তেওঁৰ মাতত কিবা এটা হেৰুৱাৰ ভয় শুনা গৈছিল। তেওঁ উঠি আহি দুৱাৰৰ কাষত ঠিয় হ’ল আৰু প্লেটফৰ্মৰ ভীৰৰ মাজত চকু ফুৰালে। কিন্তু পত্ৰিকা বেচা সৰু ল’ৰাটো ক’তো নেদেখিলে। লাহে লাহে ৰে’লখনে প্লেটফৰ্মৰ শেষৰ অংশও এৰি গুচি গ’ল।

তেতিয়ালৈ চটংকিৰ মনতো হিচাপ-নিকাচ আৰম্ভ হৈছিল। পঞ্চাছৰ পৰা বাবু ভাইক আঠ টকা দি... বাচিব বিয়াল্লিছ। বিয়াল্লিছৰ পৰা শীতল গাড়ীত লোকচান হোৱা চৈধ্য টকা কাটি তাৰ লাভ আঠাইশ...

সি খৰধৰকৈ প্লেটফৰ্মৰ চিৰি বগাব ধৰিলে। নাজানো কিয়, আচৰিতধৰণে তাৰ আলোচনীৰ দ’মটো এটা বেল্ট লগাব পৰা পেণ্টলৈ সলনি হৈছিল।

**যোগাযোগৰ ঠিকনা**

| **মূল গল্প লিখক:** | **অনুবাদক:** |
|---|---|
| চিত্ৰা মুদ্গল | দীপজ্যোতি বৰা |
| বিশিষ্ট হিন্দী সাহিত্যকাৰ | গৱেষক ছাত্ৰ |
| | অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় |